জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২১২/২০২১

# অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ প্ৰতিনিধিবৰ্গই সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰীক

**দিছপুৰ, ১৪ আগষ্ট ঃ** দেশৰ ৭৫ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ কাৰ্যালয় কক্ষত অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ প্ৰতিনিধি বৰ্গৰ সৈতে এক আলোচনাত মিলিত হয়। অসম ৰাজ্যিক মুক্তি যুঁজাৰু সন্মিলনৰ সভাপতি কৃষ্ণ লহকৰ আৰু সাধাৰণ সম্পাদক দ্বিজেন্দ্ৰ মোহন শৰ্মাৰ নেতৃত্বত অহা প্ৰতিনিধি দলটোৱে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ সৈতে বিভিন্ন বিষয় সম্পৰ্কত আলোচনা কৰে।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পৰৱৰ্তী সময়ছোৱাত মুক্তিযুঁজাৰু সন্মিলনে লোৱা ভূমিকাৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্য চৰকাৰে মুক্তিযুঁজাৰুসকলৰ পেঞ্চন বৃদ্ধি কৰাৰ দিশত সক্ৰিয় ব্যৱস্থা গ্ৰহণ কৰিব। তদুপৰি, মুক্তিযুঁজাৰুসকলৰ পৰিয়াললৈ পেঞ্চন, ভাৰত স্বাধীনতা সংগ্ৰামত প্ৰাণাহুতি দিয়া শ্বহীদসকলৰ নিকটাত্মীয়লৈ ৫ লাখ টকাৰ এককালীন সাহায্য, ৰাজ্যখনৰ সকলোবোৰ জিলাত মুক্তিযুঁজাৰু ভৱন নিৰ্মাণৰ দিশত সন্মিলনক ৰাজ্য চৰকাৰে সহায় কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই সাক্ষাতৰ সময়ত মুক্তিযুঁজাৰু সন্মিলনৰ তৰফৰ পৰা তেওঁলোকৰ বিভিন্ন দাবী সম্বলিত এখন স্মাৰক পত্ৰ মুখ্যমন্ত্ৰীৰ হাতত প্ৰদান কৰা হয়। সাক্ষাতৰ আৰম্ভণিতে মুক্তিযুঁজাৰু সন্মিলনৰ সভাপতি কৃষ্ণ লহকৰে মুখ্যমন্ত্ৰীক সম্বৰ্দ্ধনা জ্ঞাপন কৰে।

আজিৰ এই সাক্ষাতৰ সময়ত সন্মিলনৰ কোষাধ্যক্ষ কমল চন্দ্ৰ লহকৰ, সম্পাদক বিনয় ৰঞ্জন শৰ্মাও উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**১৪/০৮/২০২১**